# অসম বিধান সভা
# তৰা বিহীন প্ৰশ্ন নং:১৫
# উত্তৰ দিয়া তাৰিখ:০৬/০৭/২০২৬

বিষয় : গাহৰি পালন সন্দৰ্ভত

ড° তপন দাস : বিধায়ক

মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে অসমৰ থলুৱা ভূমিপুত্ৰসকলে পৰম্পৰাগতভাৱে কৰি অহা গাহৰি পালন ব্যৱসায়ৰ সুৰক্ষা, উন্নয়ন আৰু লাভজনক কৰি তোলাৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(খ) বাহিৰৰ পৰা বৃহৎ পৰিমাণে গাহৰি অহাৰ ফলত অসমৰ থলুৱা গাহৰি পালকসকলৰ উৎপাদিত গাহৰিৰ বিক্ৰী, মূল্য আৰু উৎপাদনত বিৰূপ প্ৰভাৱ পৰিছে বুলি চৰকাৰ জ্ঞাতনে ?

(গ) থলুৱা গাহৰি পালকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে বা গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে ?

(ঘ) কামৰূপ (মেট্ৰ') জিলাৰ ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত বৰ্ণিহাটৰ পৰা যোৰাবাট অঞ্চলৰ গাহৰি পালকসকলে উৎপাদিত গাহৰি উচিত মূল্যত বিক্ৰী কৰিব নোৱাৰা, বজাৰ ব্যৱস্থাৰ অভাৱ, খাদ্যৰ মূল্যবৃদ্ধি, ৰোগ-ব্যাধি নিয়ন্ত্ৰণ, টীকাকৰণ আৰু আৰ্থিক সহায়ৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহ চৰকাৰৰ জ্ঞাতনে ? যদি জ্ঞাত, এই সমস্যা সমাধানৰ বাবে কোনো পৰিকল্পনা কৰিছে নেকি, জনাব।

(ঙ) ৰাজ্যত থলুৱা গাহৰি পালন উদ্যোগ অধিক লাভজনক কৰাৰ উদ্দেশ্যে গাহৰিৰ ন্যূনতম সমৰ্থন মূল্য, চৰকাৰী ক্ৰয় ব্যৱস্থা অথবা সমবায়ভিত্তিক বিপণন ব্যৱস্থা আৰম্ভ কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছেনে ?

**: উত্তৰ :**

## মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে উত্তৰ দিব:

(ক) পৰম্পৰাগতভাৱে গাহৰি পালন কৰি অহা ভূমিপুত্ৰ সকলৰ বাবে লোৱা ব্যৱস্থা সমূহ -

১. নিয়মীয়া পশু পালনৰ প্ৰশিক্ষণৰ উপৰিও গাহৰি পামৰ ক্ষেত্ৰত ল'বলগীয়া জৈৱ-সুৰক্ষাৰ ওপৰত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

২. গাহৰিৰ CSF ৰোগ প্ৰতিৰোধৰ বাবে বিনামূলীয়া টিকাকৰণৰ ব্যৱস্থা কৰা হৈছে।

৩. ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ পৰা KCC ঋণৰ জৰিয়তে গাহৰি পালন কৰাৰ ব্যৱস্থা কৰা হৈছে।

৪. চৰকাৰী পশু চিকিৎসালয় আৰু প্ৰাথমিক পশু স্বাস্থ্য কেন্দ্ৰসমূহৰ উপৰিও ভ্ৰাম্যমান পশুচিকিৎসা গোটৰ যোগেদি বিনামূলীয়াকৈ কৃষকৰ দুৱাৰদলিত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

৫. আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে Leaflet, Booklet আদিৰ বিতৰণ কৰা হৈছে।

৬. গাহৰি পামত ল'বলগীয়া জৈৱ-সুৰক্ষাৰ বাবে আদৰ্শ পৰিচালনা পদ্ধতি (SOP) আৰু পৰামৰ্শৱলী (Advisory) প্ৰকাশ কৰা হৈছে।

৭. পামসমূহ বীজাণুমুক্ত কৰাৰ বাবে বীজাণুনাশক যোগান ধৰা হৈছে।

(খ) এই সন্দৰ্ভত বিভাগৰ লগত তেনে কোনো তথ্য নাই।

অসমৰ শ্ৰীৰামপুৰ, কোকৰাঝাৰত থকা আন্তঃ ৰাজ্যিক check gate ত অসমৰ বাহিৰৰ পৰা অহা গাহৰি সমূহ পৰীক্ষা কৰি ASF মুক্ত গাহৰি সমূহ কেৱল অসমৰ মাজেৰে উত্তৰ পূৰ্বাঞ্চলৰ বেলেগ ৰাজ্যলৈ পাৰ হোৱাৰ অনুমতি দিয়া হয় যদিও, কোনো বহিঃ ৰাজ্যৰ গাহৰি অসমৰ ভিতৰত নমাব নোৱাৰে ।

এই সন্দৰ্ভত অসম চৰকাৰে SOP on transportation of live pigs to and through Assam, Notification No. E-722012 date: 30-11-2025 ইতিমধ্যে জাৰি কৰা হৈছে।

(গ) থলুৱা গাহৰি পালকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে চৰকাৰে লোৱা পদক্ষেপ সমূহ :

১) চৰকাৰী পশু চিকিৎসালয় আৰু  প্ৰাথমিক পশু স্বাস্থ্য কেন্দ্ৰসমূহৰ উপৰিও ভ্ৰাম্যমান পশু চিকিৎসা গোটৰ যোগেদি বিনামূলীয়াকৈ কৃষকৰ দুৱাৰদলিত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

২) গাহৰিৰ CSF ৰোগ প্ৰতিৰোধৰ বাবে বিনামূলীয়া টিকাকৰণৰ ব্যৱস্থা কৰা হৈছে।

৩) ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ পৰা KCC ঋণৰ জৰিয়তে গাহৰি পালন কৰাৰ ব্যৱস্থা কৰা হৈছে।

৪) ২০২৫-২৬ বৰ্ষত ASF ৰ দ্বাৰা আক্ৰান্ত ৩৫৯ অভি কেন্দ্ৰৰ ৫৯৫ জন গাহৰি পালকৰ মাজত Culling Compensation হিচাপে ১৭৮১.৫৮০ লাখ টকা DBT যোগে বিতৰণ কৰা হয়।

৫) অসম চৰকাৰে অসমত গাহৰিৰ মাংস উৎপাদনত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ বাবে মুখ্যমন্ত্ৰীৰ ফ্লেগশ্বিপ প্ৰগ্ৰাম বাস্তৱায়ন কৰিছে। এই আঁচনিৰ অধীনত ২০২২-২৩ চনৰ পৰা ২০২৫-২৬ চনলৈকে অসমত গাহৰি প্ৰজনন ফাৰ্ম স্থাপনৰ বাবে মুঠ ৬১১ গৰাকী হিতাধিকাৰী (১৪৯৫টা গাহৰি পালন ইউনিট)ক অনুদান প্ৰদান কৰা হৈছে, যাৰ বাবে অসম চৰকাৰে মুঠ ১৮০৮ লাখ টকা মুকলি কৰিছে।

৬) প্ৰজেক্ট “প্ৰথম” উচ্চ জীনীয় গুণসম্পন্ন গাহৰিৰ জৰিয়তে অসমত গাহৰি পালনৰ বিপ্লৱ :

অসম চৰকাৰে SOPDৰ অধীনত প্ৰজেক্ট “প্ৰথম” নামৰ গাহৰি প্ৰজনন কাৰ্যসূচী আৰম্ভ কৰিছে, যাৰ লক্ষ্য হৈছে অসমত গাহৰি পালন ক্ষেত্ৰত বিপ্লৱ অনা। এই কাৰ্যসূচীৰ অংশ হিচাপে ২৩৬ টা উচ্চ গুণগত মানৰ বিদেশী গাহৰিৰ জাত (হেম্পশায়াৰ, লাৰ্জ হোৱাইট ইয়ৰ্কশায়াৰ আৰু লেণ্ড্ৰেড) বিশেষকৈ মেঘালয়, হাৰিয়ানা আৰু পঞ্জাৱৰ পৰা আমদানি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। এই উদ্যোগে অসমত গাহৰি উৎপাদন বৃদ্ধি কৰি, গাহৰি ক্ষেত্ৰক শক্তিশালীকৰণ আৰু গাহৰি পালকৰ জীৱনমান উন্নত কৰাত সহায় কৰিব।

৭) ইয়াৰ উপৰি গাহৰিৰ কৃত্ৰিম প্ৰজনন ব্যৱস্থা সূচল কৰাৰ কাৰণে খানাপাৰা আৰু ধেমাজি জিলাত Satellite Boar Semen Station স্থাপনৰ পৰিকল্পনা কৰা হৈছে।

AMMEMS-CMSGUY আঁচনিৰ অধীনত জালুকবাৰী বিধানসভা সমষ্টিত ৰূপায়ন হোৱা গাহৰি পালন আঁচনি খন যোৱা ০৮-১২-২০২৪ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহাদয়ে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ইয়াৰ অধীনত ইতিমধ্যে ১৩৭ জন হিতাধিকাৰীৰ মাজত গাহৰিৰ ঘৰ নিৰ্মাণ কৰিবৰ বাবে প্ৰত্যেককে ৫৮, ৮৮০ টকাকৈ মুকলি কৰি দিয়ে।

AMMEMS-CMSGUY আঁচনিৰ অধীনত বোকাখাট বিধানসভা সমষ্টিটো গাহৰি পালনৰ বাবে ৪২ টা আত্মসহায়ক গোটৰ ৪২০ জন হিতাধিকাৰি বাছনি কৰা হয়। তেওঁলোকৰ প্ৰশিক্ষণ বৰ্তমান অব্যাহত আছে আৰু ইয়াৰ ৩১০ গৰাকীয়ে (৩১ টা আত্মসহায়ক গোট। ইতিমধ্যে প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে আৰু বাকী ১১০ গৰাকীয়ে (১১ টা আত্মসহায়ক গোট) গৰাকীৰ প্ৰশিক্ষণ ০৭-০৭-২০২৬ ৰ ভিতৰত সমাপ্ত হব।

৯) আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে Leaflet, Booklet আদিৰ বিতৰণ কৰা হৈছে।

১০) পামসমূহ বীজাণুমুক্ত কৰাৰ বাবে বীজাণুনাশক যোগান ধৰা হৈছে।

গাহৰি পামৰ জৈৱ সুৰক্ষা ব্যৱস্থাৰ অধিসূচনা (SOP on Bio Security of Pig Farms, Notification No. E-748748/118/198 date: 18-06-2026 ) জাৰি কৰি বীজাণু মুক্ত পৰিৱেশৰ সূচনা কৰাৰ লগতে ৰোগ বিয়পা ৰোধৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) কামৰূপ (মেট্ৰ') জিলাৰ ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত বৰ্ণীহাটৰ পৰা যোৰাবাট অঞ্চলৰ গাহৰিপালকসকলে উৎপাদিত গাহৰি উচিত মূল্যত বিক্ৰী কৰিব নোৱাৰা, বজাৰ ব্যৱস্থাৰ অভাৱ, খাদ্যৰ মূল্যবৃদ্ধি, ৰোগ-ব্যাধি নিয়ন্ত্ৰণ, টীকাকৰণ আৰু আৰ্থিক সহায়ৰ ক্ষেত্ৰত সম্মুখীন হোৱা সমস্যাসমূহ চৰকাৰৰ জ্ঞাত হয়।

থলুৱা গাহৰি পালকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে চৰকাৰে লোৱা পদক্ষেপ :

(১) চৰকাৰী পশু চিকিৎসালয় আৰু প্ৰাথমিক পশু স্বাস্থ্য কেন্দ্ৰসমূহৰ উপৰিও ভ্ৰাম্যমান পশু চিকিৎসা গোটৰ যোগেদি বিনামূলীয়াকৈ কৃষকৰ দুৱাৰদলিত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

২) গাহৰিকে আদি কৰি যিকোনো ৰোগৰ ব্যাধিৰ বাবে NERDDL-ত তেজৰ নমুনা পৰীক্ষা কৰা হয়।

৩) নিয়মীয়া পশু পালনৰ প্ৰশিক্ষণৰ উপৰিও গাহৰি পামৰ ক্ষেত্ৰত ল'বলগীয়া জৈৱ-সুৰক্ষাৰ ওপৰত প্ৰশিক্ষণ ব্যৱস্থা কৰা হৈছে

৪) উন্নত প্ৰজাতিৰ গাহৰি চৰকাৰী পাম সমূহৰ পৰা সুলভ মূল্যত যোগান ধৰা ব্যৱস্থা কৰা হৈছে।

৫) গাহৰিৰ CSF ৰোগ প্ৰতিৰোধৰ বাবে বিনামূলীয়া টিকাকৰণৰ ব্যৱস্থা কৰা হৈছে।

৬) ASF Culling Compensation হিচাপে ১২ গৰাকী গাহৰি পালকক ১,১৪,৪৯,২০০ টকা আৰ্থিক ক্ষতিপূৰণ বিতৰণ কৰা হয়।

৭) আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে Leaflet, Booklet আদিৰ বিতৰণ কৰা হৈছে।

৮) পামসমূহ বীজাণুমুক্ত কৰাৰ বাবে বীজাণুনাশক যোগান ধৰা হৈছে।

৯) কামৰূপ জিলা সমূহত ২০২২-২৩ চনৰ পৰা ২০২৫-২৬ চনলৈকে মুখ্যমন্ত্ৰী ফ্লেগশিপ আঁচনিৰ অধীনত মুঠ ৪৪ টা গাহৰি পালন ইউনিটক সহায় কৰা হৈছে। ইয়াৰ ভিতৰত ডিমৰীয়া বিধানসভা সমষ্টিত ১০ গৰাকী হিতাধিকাৰীক গাহৰি প্ৰজনন ফাৰ্ম স্থাপনৰ বাবে Credit Link Subsidy Scheme for Piggery, মুঠ ৫৭,৬৮,০০০/- টকা প্ৰদান কৰা হৈছে।

(ঙ) ৰাজ্যত থলুৱা গাহৰি পালন উদ্যোগক অধিক লাভজনক কৰাৰ উদ্দেশ্যে গাহৰিৰ নূন্যতম সমৰ্থন মূল্যৰ ব্যৱস্থা নাই।

- সমবায় ভিত্তিত গাহৰিৰ বিজ্ঞানসন্মত নিধন আৰু মাংস সংশোধন তথা প্ৰস্তুত কৰাৰ বাবে 'মিনি স্লটাৰ হাউছ' (Mini Slaughter House) স্থাপনৰ বাবে ভৱিষ্যতে পৰিকল্পনা কৰা হ'ব পাৰে।
- ভৱিষ্যতে গাহৰিৰ বজাৰ আৰু উপযুক্ত মূল্য পোৱাৰ বাবে সমবায় ভিত্তিত বিপণন ব্যৱস্থাৰ পৰিকল্পনা কৰা হ'ব পাৰে।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰন কৰা হৈছে***

***********